অসম

দিখৌ নৈত জল সত্যাগ্রহেৰে অবৈধ খনন বন্ধৰ দাবী

নাগালেণ্ডত অবৈধ বালি, শিল আৰু কয়লা খনন বন্ধৰ লগতে বানাক্রান্ত লোকসকলৰ পুনঃসংস্থাপনৰ দাবীত শিৱসাগৰৰ দিখৌ নৈত জল সত্যাগ্রহ।

প্রকাশ: ১৮ নৱেম্বৰ ২০২৬, আবেলি ৫:০৭



(NewzNow)

শিৱসাগৰ, ১৮ নৱেম্বৰ: চুবুৰীয়া নাগালেণ্ডত অবৈধ বালি, শিল আৰু কয়লা খনন বন্ধ কৰাৰ দাবীত শিৱসাগৰৰ দিখৌ নৈত জল সত্যাগ্রহ কার্যসূচী ৰূপায়ণ কৰিছে অসম যুৱ ছাত্র সন্মিলনী আৰু সদৌ অসম অনুসূচিত জাতি ছাত্র সন্থাই।

দুয়োটা সংগঠনৰ নেতৃত্বই নৈখনত নামি এই অভিনৱ প্রতিবাদ সাব্যস্ত কৰে। বানাক্রান্ত লোকসকলৰ পুনঃসংস্থাপনৰ দাবীও প্রতিবাদকাৰীসকলে উত্থাপন কৰে।

নাগালেণ্ডত চলি থকা বুলি অভিযোগ উঠা অবৈধ খনন কার্য বন্ধ কৰিবলৈ চৰকাৰৰ দৃষ্টি আকর্ষণৰ উদ্দেশ্যে প্রতিবাদকাৰীসকলে নদীৰ মাজত নামি প্রতিবাদ কৰে।

ইয়াৰ পূর্বে একেই দাবীক লৈ দুয়োটা সংগঠনৰ নেতৃত্বই জনতা ভৱন অভিমুখে পদযাত্রা কার্যসূচী গ্রহণ কৰিছিল। গুৱাহাটীত আৰক্ষীয়ে সংগঠন দুটাৰ নেতাসকলক আটক কৰিছিল বুলি জানিব পৰা গৈছে।

চৰকাৰে অবৈধ বালি, শিল আৰু কয়লা খনন বন্ধৰ বাবে ব্যৱস্থা গ্রহণ নকৰিলে আগন্তুক দিনতো প্রতিবাদ

অব্যাহত ৰখা হ'ব বুলি সংগঠন দুটাৰ নেতাসকলে হুংকাৰ দিয়ে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4180/dikhou-river-illegal-mining-protest